بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## প্ৰকৃত ইছলামী খিলাফতৰ কল্যাণ আৰু ঈমান উদ্দীপক ঘটনাৱলীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৪ মে ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আমাৰ ওপৰত আল্লাহ তা'লাৰ অশেষ কৃপা এয়া যে সি আমাক হজৰত মছীহ মাওউদ (আঃ)ক মানি লোৱাৰ তৌফিক দান কৰিছে। ইয়াৰ জৰিয়তে আল্লাহ তা'লা ইছলামৰ দ্বিতীয় কুদৰত প্ৰকাশিত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতি অনুযায়ী আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (ছাঃ)ৰ দাসত্বৰ জৰিয়তে দ্বীনে ইছলামৰ নতুনত্বৰ বাবে আল্লাহ তা'লাৰ ফালৰ পৰা প্ৰেৰিত হৈছে। আল্লাহ তা'লা আৰু আঁহজৰত (ছাঃ)ৰ বাণী অনুযায়ী হজৰত মছীহ মাওউদ (আঃ)ৰ দ্বাৰা গঠিত জামাতত খিলাফতৰ নিজাম জাৰি হৈছে। গতিকে এয়া আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতি আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী পূৰ্ণ হোৱাৰ প্ৰকাশ্য নিদৰ্শন। যাৰ কাৰণে আমি প্ৰত্যেক বছৰ যতেই জামাত আহমদীয়া প্ৰতিষ্ঠিত হৈছে ২৭ মে দিনটো তাতে খিলাফত দিৱস হিচাপে উদযাপন কৰি থাকো।

১৯০৮ চনৰ ২৬ মে তাৰিখত হজৰত মছীহ মাওউদ (আঃ)ৰ মৃত্যু হৈছে আৰু ২৭ মে দিনটোত জামাতে খোদা তা'লাৰ প্ৰতিশ্ৰুতি মতে হজৰত মাওলানা হাকিম নুৰুদ্দিন (ৰাঃ)ক প্ৰথম খলিফা হিচাপে নিৰ্বাচিত কৰি তেখেত (ৰাঃ)ৰ হাতত হজৰত মছীহ মাওউদ (আঃ)ৰ কাম আগলৈ চলাই নিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হয়। এখেত (ৰাঃ)ৰ মৃত্যুৰ পিছত হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)ৰ হাতত জামাত একতাবদ্ধ হয়। ইয়াৰ পিছত খিলাফতে ছালছা (তৃতীয়) আৰু খিলাফতে ৰাৱে (চতুৰ্থ) ৰ সময় আৰম্ভ হয়। প্ৰত্যেকজন খলিফাৰ সময়তেই বিৰুদ্ধবাদী সকলে এই জামাতক প্ৰতিহত কৰিবলৈ আৰু নিঃশেষ কৰিবলৈ

চেষ্টা কৰে। কিন্তু তেওঁলোকৰ সকলো চেষ্টাই বিফল হয়। হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)ৰ মৃত্যুৰ পিছত আল্লাহ্ তা'লা তাৰ প্ৰতিশ্ৰুতি পূৰ্ণ কৰাৰ এক চমক দেখুৱায় আৰু জামাতৰ পঞ্চম খলিফা নিৰ্বাচিত হয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লা মোৰ অসংখ্য দুৰ্বলতা থকা সত্ত্বেও মোক আসাধাৰণ সহায় সহযোগ আগবঢ়ায় আৰু জামাতৰ উন্নতিৰ খোজ আগবঢ়াই নিয়ে। বিভিন্ন দেশ বিলাকত আহমদীয়তৰ বীজ গজি উঠে আৰু জামাতে আহমদীয়াৰ নিয়মিত নিজাম প্ৰতিষ্ঠিত হৈছে। হাজাৰ হাজাৰ চহৰ,নগৰ আৰু অঞ্চল বিলাকত আল্লাহ তা'লা লোকলৈ এই পথ প্ৰস্ফুটিত কৰি খিলাফতৰ ওপৰত কৰা সহায়ৰ দৃশ্য প্ৰকাশিত কৰে আৰু মানৱ হৃদয়ত খিলাফতৰ সৈতে সম্পৰ্ক গঢ়াৰ প্ৰত্যাশা জগাই তুলে আৰু নিষ্ঠাবান লোকৰ জামাত প্ৰতিষ্ঠা হোৱাৰ উপায় উলিয়াই দিয়ে আৰু এই দৃশ্য এতিয়াও বিৰাজমান ৰাখিছে।

গতিকে দেখা যায় যে আল্লাহ তা'লা নিজৰ প্ৰতিশ্ৰুতি পাহৰি যাওঁতা নহয় আৰু ভঙ্গ কৰোঁতাও নহয়, আৰু না তেওঁৰ আটাইতকৈ প্ৰিয় নবী হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ ভৱিষ্যতবাণী পূৰ্ণ কৰাত কোনো অভাৱ ৰাখিছে। আমি অতিকৈ সৌভাগ্যবান যে আমি আঁহজৰত (ছাঃ)ৰ খিলাফতে আলা মিনহাজুন নবুয়তৰ ভৱিষ্যতবাণী পূৰ্ণ হওঁতে দেখিবলৈ পাই আছো। গতিকে যিজনে প্ৰকৃতাৰ্থে আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাসৰ জামাতৰ সৈতে যোগ দি থাকিব তেওঁ আল্লাহ তা'লাৰ কল্যাণ আৰু কৃপাৰ অংশীদাৰ হ'ব। (ইনশা আল্লাহ) হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মোৰ পিছত অৰ্থাৎ মোৰ মৃত্যুৰ পিছতও জামাতত আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী খিলাফতৰ ছিলছিলা জাৰি থাকিব। তেখেত (আঃ)য়ে কৈছে যে মই খাতামাল খুলাফা হওঁ এতিয়া যিসকলে আহিব যিসকলক আল্লাহ তা'লা খলিফাৰ মৰ্যাদা প্ৰদান কৰিব, তেওঁলোক মোৰ অনুসাৰী হৈ আহিব। গতিকে বাস্তৱ জগতৰ ফালৰ পৰা যিয়েই যিমানেই বল প্ৰয়োগ নকৰক কিয়, হজৰত মছীহ মাওউদ (আঃ)ৰ পৰা পৃথক হৈ খিলাফত প্ৰতিষ্ঠা কৰিব নোৱাৰে।

যিয়েই নহওঁক যেতিয়া হজৰত মছীহ মাওউদ (আঃ)ৰ মৃত্যুৰ সময় কাষ চাপি আহিছিল তেতিয়া তেখেত (আঃ)য়ে খিলাফত প্ৰৱৰ্তন হোৱাৰ খবৰ দি কৈছিল, আল্লাহ তা'লা দুই ধৰণৰ কুদৰতৰ হাত দেখুৱায়, দ্বিতীয়তে এনেকুৱা সময়ত যেতিয়া নবীৰ মৃত্যুৰ পিছত বহু সমস্যাই মূৰ দাঙি উঠে আৰু শত্ৰুবিলাক প্ৰতাপী হৈ উঠে আৰু ধাৰণা কৰে যে এতিয়া সকলো বিনষ্ট হ'ব, জামাত শেষ হৈ যাব আৰু জামাতৰ লোকেও বিমুৰত পৰি যায়, আৰু তেওঁলোকে নিৰাশ হৈ পৰে কোনো কোনোৱে মূৰতদ হৈ যায় তেতিয়া আল্লাহ তা'লা দ্বিতীয়বাৰ নিজৰ পৰাক্ৰমী কুদৰত অৱতৰণ কৰোৱায় আৰু পতনন্মোখ জামাতক চম্ভালি লয়। গতিকে সিহঁত যিসকলে অন্তিম পৰ্যায়লৈকে ধৈৰ্য ধাৰণ কৰি থাকে, তেওঁলোকে খোদা তা'লাৰ মজিজা (অলৌকিকতা) দেখিবলৈ পায়। কৈছে হে বন্ধু সকল! যিহেতু প্ৰাচীন কালৰে পৰাই আল্লাহৰ ছুন্নত এয়া যে খোদা তা'লাই দুটা কুদৰত জাহিৰ কৰি থাকে যাতে বিৰুদ্ধবাদী সকলৰ উল্লাস ম্লান পৰি যায়। গতিকে সম্ভৱ নহয় যে খোদা তা'লাই তাৰ সেই প্ৰাচীন ছুন্নত ত্যাগ কৰিব। সেই কাৰণে তোমালোকে মোৰ এই কথাৰ পৰা যি মই তোমালোকৰ আগত বৰ্ণনা কৰিছোঁ চিন্তান্বিত নহ'বা আৰু তোমালোকৰ হৃদয় যেন ভাৰাক্ৰান্ত নহয় কাৰণ তোমালোকে দ্বিতীয় কুদৰত দেখিবলৈ পোৱাৰ প্ৰয়োজন আছে। সেই কুদৰত অহাটো তোমালোকৰ নিমিত্তে উত্তম কাৰণ সেয়া চিৰস্থায়ী যাৰ ছিলছিলা কিয়ামতলৈকে অবিছিন্ন থাকিব। সেই দ্বিতীয় কুদৰত আহিব নোৱাৰে যেতিয়ালৈকে মই নাযাওঁ।

ইয়াতে মই চমুকৈ ইখিনি উল্লেখ কৰি দিছো যে যিসকল মানুহে হজৰত মছীহ মাওউদ (আঃ)ৰ বয়সৰ

বিতৰ্কত লিপ্ত হৈ পৰিছে, তেওঁলোকৰ বাবে ইয়াতেই উত্তৰ আছে যে তেখেত (আঃ)য়ে নিজৰ বয়সৰ গণনা এয়া কোৰা নাই যে ইমান বছৰ আৰু বাকী আছে, বৰং ইয়াতে কেৱল নিজৰ ওভতি যোৱাৰ কথাহে ইংগিত কৰিছে আৰু বয়সৰ বিতৰ্কৰ কোনো গুৰুত্ব নাই বৰং কাম পূৰ্ণ ভাৱে সম্পাদন কৰাৰহে গুৰুত্ব আছে। তেখেত (আঃ)য়ে কৈছে মই যেতিয়া ওভতি যামগৈ তেতিয়াহে খোদা ত'লাই তাৰ দ্বিতীয় কুদৰত প্ৰেৰণ কৰিব যি চিৰকাল তোমালোকৰ লগত থাকিব, যেনেকৈ বাৰাহিনে আহমদীয়া পুস্তকত খোদাৰ প্ৰতিশ্ৰুতিৰ বৰ্ণনা লিপিবদ্ধ আছে। সেই প্ৰতিশ্ৰুতি মোৰ বাবে নহয়, বৰং তোমালোকৰ বাবেহে এই প্ৰতিশ্ৰুতি। যেনেকৈ খোদা তা'লাই কৈছে যে মই এই জামাতক যি তোমাৰ আনুগত্যত চলিছে কিয়ামত পৰ্যন্ত আনৰ ওপৰত জয় কৰি বিজেতা বনাই যাম। গতিকে তোমালোকৰ সৈতে মোৰ পৃথক হোৱাৰ দিনটো অহাৰ অতি প্ৰয়োজন হৈ পৰিছে যাতে ইয়াৰ পিছত সেই দিনবোৰ আহিব পাৰে যি চিৰস্থায়ী বাবে থকাৰ প্ৰতিশ্ৰুতিৰ দিন হ'ব। সেইজনা আমাৰ খোদা যিজনা নিজৰ প্ৰতিশ্ৰুতিত অটল আৰু বিশ্বাসী আৰু সত্য খোদা হয়। সি সকলো দৃশ্যই তোমালোকক দেখুৱাব, যিবোৰৰ প্ৰতিশ্ৰুতি সি প্ৰদান কৰিছে। যদিও এই দিনবোৰ জগতৰ অন্তিম দিন হয় আৰু ঘোৰ বিপদে দেখা দিয়ে তথাপি এই জগত প্ৰতিষ্ঠিত থাকিব যেতিয়ালৈকে সেই সকলোবোৰ কথা পূৰ্ণ নহয়, যি খোদা তা'লাই কৈছে।

আল্লাহ তা'লাৰ কথন অনুযায়ী হজৰত মছীহ মাওউদ (আঃ)ৰ মৃত্যুৰ পিছত প্ৰত্যেকটো খিলাফতৰ সময়তেই জামাত উন্নতিৰ বাটত আগবাঢ়ি আহি আছে। আগৰ দৰেই খোদা তা'লাই বিশ্বৰ প্ৰান্তে প্ৰান্তে অৱস্থিত দেশ বোৰত বাস কৰা মানুহ বিলাকৰ হৃদয়ত যিসকলে খলিফাক কেতিয়াও দেখা নাই, সহায়ৰ পোহৰ বিলাই খিলাফতৰ পতাকা তলত জমা হোৱাৰ হিদায়ত প্ৰদান কৰিছে। ইয়াৰে কিছুমান লোকৰ ঘটনা ইয়াতে আগবঢ়াইছো যিসকলৰ সৈতে আল্লাহ তা'লাৰ সহায় বিৰাজিত আৰু তাৰ প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ দৃশ্য বিদ্যমান আছে।

বৰকিনা ফাছোৰ এখন জামাতত প্ৰথম এম.টি.এ লগোৱাৰ পিছত তেওঁলোকে টি.ভিৰ পৰ্দাত খলিফা ওয়াক্তক দেখিবলৈ পায় আৰু তেওঁলোকৰ চকুত আনন্দৰ চকুলো বৈ আহে। সিহঁতে কয় যে টিভিৰ পৰ্দাত যুগৰ খলিফাক চাই আমাৰ চকু জোৰ পৰিছে,হৃদয়ত শান্তি উপলব্ধ হৈছে।

গাম্বিয়াৰ আমিৰ চাহাবে লিখিছে যে এজন আৰবীয়ান লোক তাৰ ষ্টললৈ আহি এখন তৰজমা থকা কোৰাণ লৈ যায়। তেতিয়া লোকজনক জাৰ্মানিৰ বাৎসৰিক জলছালৈ নিমন্ত্ৰণ দিয়া হয়। কিবা ব্যস্ততাৰ কাৰণে তেওঁ তাৰ ককাইৰ সৈতে আৰু এজন পৰিয়ালৰ লোকক জলছালৈ পঠিয়াই দিয়ে। জলছাত ভাষণ শুনাৰ পিছত তাৰ ককাই জনে কয় যে এই ব্যক্তিজন নিশ্চয় খোদা তা'লাৰ সহায় প্ৰাপ্ত লোক। এই বুলি জনাবে ৰাতিৰ বেলিকা বয়াত ফৰ্ম পূৰ কৰি জামাতভুক্ত হয়।

কেমেৰুণৰ এখন চহৰত একেলগে আঠোটা পৰিয়ালে বয়াত গ্ৰহণ কৰি জামাতভুক্ত হয়। নমবোঈন সকলে কয় যে এম.টি এৰ জৰিয়তে আমাৰ ল'ৰা-ছোৱালীৰ দৈনন্দিন জীৱন সলনি হৈছে। ইয়াৰে এজন ল'ৰাক স্কুল মাষ্টাৰে হুজুৰ (আইঃ)ৰ খোতবা জুমা শুনাৰ বাবে ছুটি দিয়া নাছিল। সেয়ে ল'ৰাজনে শিক্ষক জনক কৈছিল যে মই স্কুল এৰিব পাৰো কিন্তু খোতবা শুনিবলৈ এৰিব নোৱাৰো।

বৰকিনা ফাছোৰ এক ব্যক্তি মোক এম.টি.এৰ পৰ্দাত দেখা পাই কয় যে মই এখেতক সপোনত দেখিছো। লোক জনে তৎক্ষণাত কোনো প্ৰমাণ আদি নোলোৱাকৈ আহমদীয়ত গ্ৰহণ কৰে। তাৰ পিছত

লোক জনৰ গাঁৱৰ বহুকেইজন লোকে আহমদীয়ত গ্ৰহণ কৰে। আল্লাহৰ কৃপাত গাঁৱখনত এখন সুগঠিত জামাত প্ৰতিষ্ঠিত হৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই ধাৰাবাহিকতাত আৰু কিছুমান দেশৰ যেনে কঙ্গো কিনছাছা, ছেনাগাল, বেলজিয়াম, গিনিবছাও,কিৰগিস্থান, নাইজেৰিয়া আৰু মালী আদিৰ সৈতে খিলাফতে আহমদীয়াৰ সংযোগ ব্যৱস্থাত আল্লাহ তা'লাৰ সহায় আৰু তাৰ প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ আৰু কিছুমান ঘটনা বৰ্ণনা কৰিছে।

ইয়াৰ পিছত কয় যে এয়া সাধাৰণ কেইটামান ঘটনা যাৰ জৰিয়তে খোদা তা'লাৰ সহায়ৰ জলক প্ৰস্ফুটিত হয় যে আল্লাহ তা'লা নিজে লোকৰ হৃদয়ত উন্মোচন কৰি দিছে। অআহমদী লোকৰ হৃদয়ত খিলাফতে আহমদীয়তৰ প্ৰভাৱ ঢালি দি আছে। পৱিত্ৰচেতা লোক সকলক খিলাফতৰ সৈতে সংযোজিত কৰি আছে। খিলাফতে আহমদীয়াৰ ইতিহাসৰ প্ৰত্যেকটো দিনেই কথাৰ সাক্ষী বহন কৰি আহিছে যে আল্লাহ তা'লাই খিলাফতে আহমদীয়াক সহায় সংযোগ আগবঢ়াই আছে আৰু এই জামাত দিনক দিনে উন্নতিৰ বাটত আগবাঢ়ি গৈ আছে; আল্লাহ তা'লা মোকও তাৰ কৃপা বলেৰে এই দায়িত্ব পালনৰ তৌফিক দান কৰক। লগতে প্ৰত্যেক জন আহমদীক পূৰ্ণ ইতায়ত আৰু একাগ্ৰতাৰ সৈতে সদায় খিলাফতে আহমদীয়াৰ সৈতে সংযোজিত ৰাখক। লগতে সেই সকলোবোৰ উদ্দেশ্য পূৰ্ণ  কৰক যিবোৰ আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ৰ ওপৰত ন্যস্ত কৰিছিল আৰু খিলাফতে আহমদীয়াৰ জৰিয়তে এক খোদাৰ ৰাজত্ব পৃথিৱীত প্ৰতিষ্ঠিত হওঁক আৰু হজৰত মহম্মদ (ছাঃ)ৰ পতাকা জগতত উত্তোলণ কৰাৰ দৃশ্য বিশ্ব বাসীয়ে অৱলোকন কৰক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)যে মকৰম চৌধুৰী নাছৰুল্লাহ খান চাহাবৰ আৰু মকৰম কনুৰ ইদ্ৰিছ চাহাবৰ চমু পৰিচয় দি মৰহুমিন সকলৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 24 MAY 2024**

## BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................

..................................................................................................................

..................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844

অনুবাদক : শ্বাহজাহান আলি চাহাব মুৰাল্লিম ছিলছিলা